অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com

প্ৰসংগ : এজবেক/সভা/০৯/২০ তাৰিখ : ০৩-১১-২০২০

প্ৰতি,

অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অন্তৰ্ভুক্ত বিদ্যালয়সমূহৰ
অধ্যক্ষ/অধ্যক্ষা/প্ৰধান শিক্ষক/প্ৰধান শিক্ষয়িত্ৰী

বিষয় : পৰীক্ষা, পাঠ্যক্ৰম, শিক্ষাবৰ্ষ, পাঠ্যপুথি বিতৰণ, শিক্ষক প্ৰশিক্ষণ, প্ৰতিনিধি সভা আৰু অন্যান্য।

সন্মানীয়/সন্মানীয়া

আন্তৰিক শ্ৰদ্ধা গ্ৰহণ কৰিব।

যোৱা ১৬-১০-২০২০ তাৰিখে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ কাৰ্য্যনিৰ্বাহক সমিতি আৰু বিভিন্ন জিলাৰ জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ সদস্যসকলৰ অংশগ্ৰহণেৰে অনলাইনযোগে এখন সভা অনুষ্ঠিত কৰা হয়। সভাত আলোচনা মৰ্মে কেইটামান সিদ্ধান্ত সৰ্বসন্মতিক্ৰমে গৃহীত হয়। গৃহীত সিদ্ধান্তসমূহ—

১। অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ (এজবেক)ৰ অন্তৰ্ভুক্ত যিসমূহ বিদ্যালয়ে চলিত শিক্ষাবৰ্ষৰ ছয়মাহিলি পৰীক্ষাৰ প্ৰশ্নকাকতৰ বাবে আগধন জমা দিছিল, সেইসমূহ বিদ্যালয়ে আগধন ঘূৰাই ল'ব বিচাৰিলে ঘূৰাই ল'ব পাৰিব অথবা বছৰেকীয়া পৰীক্ষাৰ প্ৰশ্নকাকতৰ বাবে দিবলগীয়া ধনৰ লগত মিলাই ল'ব বিচাৰিলে সেইটোও কৰিব পাৰিব। যিসমূহ বিদ্যালয়ে আগধন ঘূৰাই ল'ব বিচাৰিব, সেই বিদ্যালয়সমূহে ১৫-১১-২০২০ তাৰিখৰ ভিতৰত এজবেক কাৰ্য্যালয়ত ফ'নযোগে জনাব পাৰিব (মৌচম ৰাজখোৱা, কাৰ্য্যালয় সহায়ক, এজবেক, ফ'ন নং : ৯৮৬৪২-০২০৮০)।

২। চলিত শিক্ষাবৰ্ষৰ বছৰেকীয়া পৰীক্ষা ২০২১ চনৰ ফেব্ৰুৱাৰী মাহৰ দ্বিতীয় সপ্তাহত আৰম্ভ হ'ব। ক'ভিড সম্পৰ্কীয় চৰকাৰী নীতি-নিৰ্দেশনা সম্পূৰ্ণৰূপে মানি পৰীক্ষা অনুষ্ঠিত কৰা হ'ব। এটা দিনতেই যিহেতু বেছি সংখ্যক শ্ৰেণীৰ পৰীক্ষা অনুষ্ঠিত কৰিব পৰা নাযাব, গতিকে পৰীক্ষাৰ সময়সূচী পূৰ্বতকৈ কিছু দীঘলীয়া হ'ব।

৩। পৰৱৰ্তী শিক্ষাবৰ্ষ ১ এপ্ৰিল ২০২১-ৰ পৰা আৰম্ভ হ'ব।

৪। পাঠ্যপুথিৰ বাবে ফৰমাচ জমা দিয়া বিদ্যালয়সমূহৰ বাবে পাঠ্যপুথি বিতৰণ ৫ মাৰ্চ, ২০২১ তাৰিখৰ পৰা আৰম্ভ হ'ব। পাঠ্যপুথিৰ বাবে ফৰমাচ জমা দিয়াৰ নিৰ্ধাৰিত সময়সীমা উকলি গৈছে যদিও ক'ভিডসৃষ্ট পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ফৰমাচ এতিয়াও গ্ৰহণ কৰি থকা হৈছে। বহু বিদ্যালয়ে যাতায়াতৰ অসুবিধাৰ বাবে আৰু বিশেষকৈ ক'ভিড সংক্ৰমণৰ ভয়াবহতাৰ বাবে বিদ্যালয়লৈ আহি বাৰ্ষিক প্ৰতিবেদন আৰু পাঠ্যপুথিৰ ফৰমাচ জমা দিব নোৱৰা কথাটো এজবেক কাৰ্য্যালয়লৈ ফ'নযোগে জনাইছে আৰু এই বিষয়টো স্বাভাৱিকভাৱে গ্ৰহণ কৰা হ'ব। প্ৰতিবেদন, ফৰমাচ ডাকযোগে বা ই-মেইলযোগেও পঠাব পাৰিব।

৫। বিদ্যালয়সমূহৰ বাৰ্ষিক প্ৰতিবেদন আৰু পঞ্জীয়ন প্ৰ-পত্ৰৰ পুনৰীক্ষণ প্ৰক্ৰিয়া পুনৰ আৰম্ভ হৈছে আৰু অতি সোনকালে সম্পূৰ্ণ কৰা হ'ব। ২০১৯ শিক্ষাবৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন এতিয়াও যিসমূহ বিদ্যালয়ে জমা দিয়া নাই, সোনকালে জমা দিবলৈ আহ্বান জনোৱা হয়।

৬। ২০২০-২১ শিক্ষাবৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন এজবেক কাৰ্য্যালয়ত জমা দিয়াৰ শেষ তাৰিখ ৩১ মাৰ্চ, ২০২১।

৭। এজবেক প্ৰতিনিধি সভা চলিত বৰ্ষৰ ডিচেম্বৰ মাহত ১২ৰ পৰা ২০ তাৰিখৰ ভিতৰত দুটা গোটত দুদিন অনুষ্ঠিত হ'ব।

৮। চলিত বৰ্ষৰ শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচী webinar ৰ জৰিয়তে অনুষ্ঠিত হ'ব। ইতিমধ্যে ইয়াৰ প্ৰস্তুতি আৰম্ভ হৈছে।

৯ অসম জাতীয় বিদ্যালয়ে চলিত বৰ্ষৰ নবেম্বৰ মাহৰ আৰম্ভণিতেই ছাত্ৰ-ছাত্ৰীৰ বাবে বিদ্যালয় খুলি শ্ৰেণী অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা নাই যদিও প্ৰতিখন বিদ্যালয়ে নিজৰ অঞ্চলৰ পৰিস্থিতি চাই বিদ্যালয় খোলা-নোখোলাৰ সিদ্ধান্ত নিজাকৈ গ্ৰহণ কৰিব পাৰিব।

১০। ২০২১-২২ শিক্ষাবৰ্ষত সলনি হ'বলগীয়া/নতুনকৈ প্ৰকাশ হ'বলগীয়া পাঠ্যপুথিসমূহ হ'ল— ইংৰাজী (দ্বিতীয় শ্ৰেণী), গণিত (অষ্টম শ্ৰেণী), বিজ্ঞান (অষ্টম শ্ৰেণী), অসমীয়া দ্ৰুতপাঠ (তৃতীয় শ্ৰেণী)।

১১। চলিত শিক্ষাবৰ্ষৰ বছৰেকীয়া পৰীক্ষাৰ পাঠ্যক্ৰম (১মৰ পৰা ৮ম শ্ৰেণীলৈ) প্ৰায় ৩০ শতাংশ হ্ৰাস কৰা হ'ব। প্ৰশ্নকাকত ল'ব বিচৰা বিদ্যালয়সমূহে আবেদনৰ জৰিয়তে প্ৰশ্নকাকত লাভ কৰিব পাৰিব।

১২। এজবেকৰ অন্তৰ্ভুক্ত বিদ্যালয়সমূহৰ নামৰ তালিকা ২০২১ৰ মে' মাহত প্ৰকাশ কৰা হ'ব।

১৩। এজবেকৰ শৈক্ষিক আৰু সাংগঠনিক কাম-কাজ সুচাৰুৰূপে চলাই নিবলৈ কেন্দ্ৰীয়ভাৱে বৰ্তমানে থকা কাৰ্য্যবাহী পৰিষদৰ উপৰিও এখন সাধাৰণ পৰিষদ আৰু এখন শৈক্ষিক পৰিষদ গঠন কৰা হ'ব।

১৬-১০-২০২০ তাৰিখে সভাখন অনুষ্ঠিত হোৱাৰ পিছত পৰৱৰ্তী সময়ত অসম চৰকাৰে চলিত শিক্ষাবৰ্ষৰ বছৰেকীয়া পৰীক্ষা সম্পৰ্কত ঘোষণা কৰা নিৰ্দেশনাৰ পৰিপ্ৰেক্ষিতত ওপৰৰ কেতবোৰ সিদ্ধান্ত এজবেক কাৰ্য্যবাহী পৰিষদৰ সভাত সলনি কৰিব লগা হৈছে। অসম চৰকাৰৰ শেহতীয়া নিৰ্দেশনা অনুসৰি চলিত শিক্ষাবৰ্ষত অষ্টম শ্ৰেণীৰ বাহিৰে আন শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষা আনুষ্ঠানিকভাৱে অনুষ্ঠিত কৰা নহ'ব। গতিকে অজাবি শিক্ষা সংসদেও অষ্টম শ্ৰেণীৰ বাহিৰে আন শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষা আনুষ্ঠানিকভাৱে অনুষ্ঠিত নকৰাৰ সিদ্ধান্ত কাৰ্য্যবাহী পৰিষদৰ সভাত গ্ৰহণ কৰিছে। অষ্টম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাৰ বাবে পাঠ্যক্ৰম ৩০ শতাংশ হ্ৰাস কৰি নতুন পাঠ্যক্ৰম প্ৰস্তুত কৰা হৈছে। অষ্টম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাৰ পাঠ্যক্ৰম ০৯-১১-২০২০ তাৰিখে ৱেবছাইটত আপল'ড কৰা হ'ব। যি সমূহ বিদ্যালয়ে অষ্টম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাৰ প্ৰশ্নকাকত এজবেকৰ পৰা গ্ৰহণ কৰিব বিচাৰে, সেইসমূহ বিদ্যালয়ে আবেদনৰ জৰিয়তে প্ৰশ্নকাকত গ্ৰহণ কৰিব পাৰিব। অষ্টম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাৰ প্ৰশ্নকাকতৰ বাবে ফৰমাচ জমা দিয়াৰ শেষ তাৰিখ : ৩১-১২-২০২০।

শ্ৰদ্ধাৰে—

(দিলীপ কুমাৰ দত্ত চৌধুৰী)
কাৰ্য্যবাহী সভাপতি
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ

(ডাঃ নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ